ISSN: 2348-9626
Vol. IX, 2019

# PRAGYANJYOTI

# প্ৰজ্ঞানজ্যোতি

Annual Bilingual Journal of Krishna Kanta Handiqui State Open University, Cinnamara College Study Centre, Cinnamara, Jorhat-8, Assam



*Jointly edited by*
**Tarun Saikia**
**Simanta Borah**

ISSN : 2348-9626 vol.:IX, 2019

# PRAGYANJYOTI

# প্ৰজ্ঞানজ্যোতি

*Annual Bilingual Journal of Krishna Kanta Handiqui State Open University, Cinnamara College Study Centre, Cinnamara,*
**Jorhat-8, Assam**

**Jointly edited by**
Tarun Saikia
Simanta Borah

**Associate editors**
Ranjan Chutia
Bina Borah

**Cinnamara College Publication**

Social Formation

- Autonomy and Political Rising in Bodo Areas of Assam: A Study on Micro Perspective State — **Dr. Sonaram Kalita** — 60
- আব্দুল মালিকৰ 'ধন্যন্নৰ তনু ভাল' উপন্যাসত মধ্যযুগীয় সমাজ চিন্তন — ড° স্বপ্নালী বৰা — 68
- উমাকান্ত শৰ্মাৰ *এজাক মানুহ এখন অৰণ্য* উপন্যাসত প্ৰতিফলিত ঊনবিংশ শতিকাৰ চাহ জনগোষ্ঠীয় সমাজ জীৱনৰ সমস্যা — উৎপল মেচ — 72
- সৌৰভ কুমাৰ চলিহাৰ গল্পত আধুনিকতা — লক্ষ্যজিৎ হাজৰিকা — 81
- উত্তৰ-স্বাধীনতাকালৰ অসমৰ হিন্দু বিবাহ ব্যৱস্থা — এন.তামনা সিংহ — 91
- কীৰ্ত্তন-ঘোষাৰ অজামিল উপাখ্যান আৰু প্ৰহ্লাদ চৰিত্ৰ খণ্ড দুটিত উদ্ভাসিত ভক্তিমূলক ধৰ্মীয় জন-জীৱন — বিশ্বদীপা দাস — 101
- পদ্মনাথ গোহাঞি বৰুৱাৰ 'জয়মতী' নাটকৰ চৰিত্ৰ বিশ্লেষণ — গীতাঞ্জলি বড়া — 107
- অংকীয়া নাটৰ উৎস-বিচাৰ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন — কল্পজিৎ সোনোৱাল — 110
- নগা ৰাজ্যৰ চাখেচাংসকলৰ গৃহ নিৰ্মাণ প্ৰণালী — ড° অখিল কুমাৰ গগৈ — 116

# কীৰ্তন-ঘোষাৰ অজামিল উপাখ্যান আৰু প্ৰহ্লাদ চৰিত্ৰ খণ্ড দুটিত উদ্ভাসিত ভক্তিমূলক ধৰ্মীয় জন-জীৱন

বিশ্বদীপা দাস
গৱেষক, অসমীয়া বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়
নগাঁও, অসম

মধ্যযুগীয় পটভূমিত সৰ্বভাৰতীয় স্তৰত খ্ৰীষ্টিয় পঞ্চদশ শতিকাৰ আশে পাশে সমসাময়িক বিশেষ সামাজিক প্ৰয়োজনত ভক্তি আধাৰিত বৈষ্ণৱ জাগৰণৰ সূত্ৰপাত হৈছিল। ভক্তিধৰ্ম এই জাগৰণৰ মূল উৎস। বিভিন্ন ৰাজনৈতিক, সামাজিক বিশৃংখল পৰিস্থিতিৰ হেতু হিন্দু বৈদিক ধৰ্মৰ মূল সূতিত বিভিন্নতাৰ সংযোজনা যে একেশ্বৰবাদী দৰ্শন তথা উপাসনাৰীতিৰ ক্ষেত্ৰত জটিলতা আহি পৰিছিল। বহু দেৱ-দেৱীৰ পূজন আৰু নানাবিধ যাগযজ্ঞ তথা নৃশংস বলি-বিধান, আনকি ৰক্ত-মাংসৰে দেৱ-দেৱীৰ উপাসনা প্ৰণালীয়ে সমগ্ৰ ভাৰতীয় সমাজ-জীৱনলৈ অস্থিৰতা আনি দিছিল। সেই গতিকে সম-সাময়িক সমাজ ব্যৱস্থালৈ খ্ৰীষ্টিয় সপ্তম-দশম শতাব্দীত তামিল দেশৰ আলৱাৰ ভক্তসকলে, খ্ৰীষ্টিয় দ্বাদশ আৰু চতুৰ্দশ শতাব্দীত দক্ষিণ-পশ্চিম ভাৰতীয় ভক্তসকলে, চতুৰ্দশ-পঞ্চদশ শতিকাত উত্তৰ-পূৰ্বাঞ্চলৰ ভক্তসকলে নব-বৈষ্ণৱ ভক্তি জাগৰণৰ জৰিয়তে ধৰ্মীয় শৃংখলা আনিবলৈ সক্ষম হৈছিল। অৱশ্যে কিছু কিছু ক্ষেত্ৰত নব-বৈষ্ণৱ সম্প্ৰদায়সমূহৰ মতাদৰ্শ ভিন্ন আছিল; কিন্তু মূলতঃ সকলো সম্প্ৰদায়েই একেশ্বৰবাদী।

চতুৰ্দশ-পঞ্চদশ শতিকাৰ ভিতৰত অসম তথা উত্তৰ-পূৰ্বাঞ্চলত নব-বৈষ্ণৱ জাগৰণৰ নেতৃত্ব দিয়া ধৰ্মনেতাগৰাকী আছিল সাহিত্য-সংস্কৃতিৰ সাধক শ্ৰীমন্ত শঙ্কৰদেৱ। বিশিষ্ট ধৰ্মনেতাগৰাকীয়ে সমাজ-জীৱনৰ সূক্ষ্মতম দিশসমূহ গভীৰভাৱে অনুধাৱন কৰি সম-সাময়িক অনাখৰী সমাজখনৰ উপযোগীকৈ ভক্তিধৰ্মৰ সহজসাধ্য মাৰ্গৰ উদ্ভাৱনা কৰিছিল। ভক্তি সাধনাৰ উপযোগীকৈ সাহিত্য-সংস্কৃতিক মনোৰঞ্জনশীল অথচ ধৰ্মীয় চাঁচত ঢালি অসমীয়া সমাজক নতুন ৰূপত গঢ়ি তুলিলে। শঙ্কৰদেৱৰ দ্বাৰা প্ৰবৰ্ত্তিত নব-বৈষ্ণৱ ভক্তিমাৰ্গৰ এটা প্ৰধান বিশেষত্ব হ'ল শ্ৰৱণ-কীৰ্তনৰ জৰিয়তে ভগৱানৰ উপাসনা। মধ্যযুগীয় অনাখৰী সমাজৰ পক্ষে এইটোৱে ধৰ্ম-উপাসনাৰ সৰ্বশ্ৰেষ্ঠ মাধ্যম আছিল। শঙ্কৰদেৱে এইবাবেই নাম-প্ৰসঙ্গৰ উপযোগীকৈ শ্ৰেষ্ঠতম সাহিত্যিক কৃতী 'কীৰ্তন-ঘোষা'ৰ ৰচনা কৰিছিল। বিভিন্ন সময়ত বিভিন্ন অঞ্চলত ভকতসকলৰ শ্ৰৱণ-কীৰ্তনৰ প্ৰয়োজনত কীৰ্তন-ঘোষাৰ বিভিন্ন খণ্ডসমূহ শঙ্কৰদেৱে ৰচনা কৰিছিল। পৰৱৰ্তী সময়ত মাধৱদেৱৰ নিৰ্দেশমতে ৰামচৰণ ঠাকুৰে কীৰ্তনৰ খণ্ডসমূহ বিভিন্ন স্থানৰ পৰা সংগ্ৰহ কৰিছিল আৰু মাধৱদেৱৰ অনুমোদন ক্ৰমেই সম্পাদনা কৰি একত্ৰিত কৰি এখন পুথিৰ আকাৰত থুপাই পেলাইছিল।[১]

[১] সত্যেন্দ্ৰনাথ শৰ্মা, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ.১২৫